# সংবিধান

ধেমাজি

বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধেমাজি - ৭৮৭০৫৭

**প্ৰস্তাৱনাঃ**

ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ সমূহ সাধাৰণ ছাত্ৰ ছাত্ৰীয়ে গঠিত এই সংগঠনটো "ধেমাজি বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভা" নামেৰে পৰিচিত। আমাৰ এই সংগঠনটো ৰাষ্ট্ৰৰ গণতান্ত্ৰিক আদৰ্শৰ আৰ্হিৰে ছাত্ৰ সমাজৰ পাৰস্পৰিক সম্বন্ধ আৰু ঐক্য স্থাপন, প্ৰীতি শ্ৰদ্ধা ও বুজাপৰা স্থাপন, সামাজিক, সাংস্কৃতিক শাৰীৰিক বৌদ্ধিক তথা মানসিক বিকাশ, শিক্ষাৰ সুস্থ আৰু উন্নত বাতাবৰণ, ছাত্ৰসমাজৰ প্ৰগতি, বিকাশ আৰু কল্যাণৰ হকে, ছাত্ৰসকলৰ মাজত কৃতিত্ব আৰু দক্ষতা গঢ়িবলৈ, শ্ৰমৰ মৰ্য্যদা আৰু দেশ প্ৰেমৰ ভাৱনাৰে উদ্বুদ্ধ কৰিবলৈ শিক্ষক ছাত্ৰৰ মাজত সু-সম্বন্ধ স্থাপন, মহাবিদ্যালয়ৰ সুনাম আৰু মৰ্য্যদা ৰক্ষা, শিক্ষা সমাজ আৰু ছাত্ৰৰ প্ৰগতি হকে হিতকাৰী সংগঠনৰ লগত সহযোগ কৰিবলৈ আমাৰ "ছাত্ৰ একতা সভা এখনি অৰাজনৈতিক ছাত্ৰ সংগঠন হিচাবে ইয়াত সন্নিবিষ্ট হোৱা সমূহ অনুচ্ছেদ কাৰ্য্যত ৰূপায়নৰ বাবে যুক্তি যুক্ততাবোধ কৰি এই সংবিধান ধেমাজি বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংবিধান (Constitution of Dhemaji Commerce College Students Union) নামেৰে পৰিগণিত হৈ ছাত্ৰ একতা সভাৰ কাৰ্য্যাৱলী নিয়াৰিকৈ সন্নিবেশ কৰে।

অনুচ্ছেদ ১ ঃ নাম আৰু ঠিকনাঃ

সংগঠনৰ নাম ঃ ধেমাজি বাণিজ্য মহাবিদ্যালয় ছাত্ৰ একতা সভা

ঠিকনা ঃ ধেমাজি বাণিজ্য মহাবিদ্যালয়

ডাক ঃ এৰাচল, ধেমাজি

জিলা ঃ ধেমাজি- ৭৮৭ ০৫৭

অসম

অনুচ্ছেদ ২ ঃ লক্ষ্য আৰু উদ্দেশ্য ঃ

প্ৰস্তাৱনাত উল্লেখকাৰী নীতি নিৰ্দেশনাৰ প্ৰতি দৃষ্টি ৰাখি ছাত্ৰ একতা সভাই তলত উল্লেখ কৰা কাৰ্য্যাৱলী সমূহ গ্ৰহণ কৰিব।

(ক) ছাত্ৰসকলৰ মাজত ঐক্য, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু বুজাবুজি অটুট ৰখা।

(খ) ছাত্ৰসকলৰ শাৰীৰিক, মানসিক তথা বৌদ্ধিক উৎকৰ্ষসাধন কৰা।

(গ) মহাবিদ্যালয়ৰ সুনাম ও মৰ্য্যদা বৃদ্ধি কৰি ছাত্ৰ সমাজক প্ৰকৃত দায়িত্ব কৰ্তব্যবোধৰ প্ৰতি সচেতন কৰা।

(ঘ) ছাত্ৰসমাজৰ প্ৰগতি বিকাশ ও কল্যাণৰ হকে সমূহীয়া স্বাৰ্থ আৰু অধিকাৰ ৰক্ষা কৰিবৰ বাবে শান্তিপূৰ্ণ গণতান্ত্ৰিক আৰ্দশৰে চেষ্টা কৰা আৰু শিক্ষা সমাজ আৰু ছাত্ৰৰ প্ৰগতি তথা কল্যাণৰ বাবে অন্য সংগঠনৰ লগত সহযোগিতা কৰা।

(ঙ) ছাত্ৰ আৰু শিক্ষকৰ মাজত সৌহাদ্যপূৰ্ণ সম্বন্ধ বজায় ৰখা।

(চ) ছাত্ৰসমাজৰ মানৱীয় গুণৰাজিৰ বিকাশ সাধনৰ জৰিয়তে শ্ৰমৰ মৰ্য্যদা, সমাজসেৱা মনোভাৱ আৰু দেশপ্ৰেম জগাই তোলা।

(ছ) বিভিন্ন অনুষ্ঠান, বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, আলোচনা চক্ৰ, সেৱা সংগঠনৰ আয়োজনেৰে শিক্ষাৰ সুস্থ ও উন্নত বাতাবৰণ গঢ়াত সহায় কৰা।

(জ) আঞ্চলিক, মহাবিদ্যালয়, আন্তঃ মহাবিদ্যালয় আন্তঃ বিশ্ববিদ্যালয় সমাৰোহ আৰু বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণেৰে প্ৰতিভা বিকাশৰ প্ৰচেষ্টা কৰা।

(ঝ) খেলা-ধূলা, কলা সংগীত, সাহিত্য চৰ্চাৰে ছাত্ৰ সমাজৰ সামগ্ৰিক বিকাশৰ ব্যৱস্থা কৰা।

(ঞ) মহাবিদ্যালয় প্ৰাচীৰ পত্ৰিকা, আলোচনী আদি প্ৰকাশৰ জৰিয়তে বৌদ্ধিক দিশ বিকাশ ঘটোৱা।

(ট) সামাজিক সম্প্ৰীতি আৰু বুজাবুজিৰে উৎসৱ পূজা-পাৰ্বন পালন কৰা আৰু সমাজ সেৱাত জড়িত হোৱা।

(ঠ) মহাবিদ্যালয়ৰ বিভিন্ন সামাজিক কাৰ্য্যৱলী উপৰিও জিলাখনৰ বিভিন্ন অঞ্চলৰ সামাজিক কাৰ্য্যত অংশ গ্ৰহণ কৰা।

(ড) মহাবিদ্যালয়ৰ বৰ্তমান প্ৰচলিত নিয়মীয়া সাজ-পোছাক ভবিষ্যতেও নিয়মীয়া সাজ-পোছাক হিচাবে বাহাল ৰখা।

**অনুচ্ছেদ ঃ ৩ ঃ সভ্যপদ ঃ**

(ক) ছাত্ৰজন ভাৰতীয় নাগৰিক হব লাগিব। ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়েই নাম ভৰ্ত্তি কৰা লগে লগে ছাত্ৰ একতা সভাৰ সাধাৰণ সভ্যৰূপে পৰিগণিত হব (নিয়মীয়া ছাত্ৰ-ছাত্ৰী) আৰু এটাকৈ ভোটাধিকাৰ থাকিব।

(খ) মহাবিদ্যালয় শিক্ষকসকল ও ভোটাধিকাৰ নথকা Ex-officio ৰ সদস্য হ'ব পাৰিব।

**অনুচ্ছেদ ঃ ৪ ঃ ছাত্ৰ ঃ**

ছাত্ৰ শব্দৰে মহাবিদ্যালয়ৰ নামভৰ্ত্তি কৰা নিয়মীয়া সকলো ছাত্ৰ-ছাত্ৰীকে বুজোৱা হৈছে। ছাত্ৰ একতা সভাৰ সাধাৰণ সভাপদ শিক্ষাবৰ্ষৰ আৰম্ভনীৰপৰা বছৰৰ শেষ পৰ্য্যন্তলৈকে বাহাল থাকিব।

**অনুচ্ছেদ ঃ ৫ ঃ মাচুল ঃ**

সকলো সদস্যই বাধ্যতামূলক বছৰেকীয়া একতা সভাৰ মাচুল একতা সভাৰ পুঁজিলৈ বৰঙণি হিচাবে দিব লাগিব। মহাবিদ্যালয়ৰ অধ্যক্ষই কাৰ্যনিবাহকৰ লগত আলোচনা মৰ্মে মাচুলৰ হাৰ নিৰ্দ্ধাৰণ কৰিব।

**অনুচ্ছেদ ঃ ৬ ঃ ভাষা ঃ**

মহাবিদ্যালয়ৰ শিক্ষাৰ মাধ্যম যি ভাষাত হয় সেই ভাষাৰেই একতা সভাৰ কাম-কাজ পৰিচালনা হ'ব।

**অনুচ্ছেদ ঃ ৭ ঃ গঠন ঃ**

ছাত্ৰ একতা সভাত উল্লেখিত দুটা শাখা থাকিব-

(১) সাধাৰণ সভা

(২) কাৰ্য্যকৰী সমিতি





**সাধাৰণ সভাঃ**

(ক) সাধাৰণ সভাই ছাত্ৰ একতা সভাৰ সৰ্বোচ্চ-সভা আৰু একতা সভাৰ অন্য সকলো সমিতি সাধাৰণ সভাৰ ওচৰত দায়িত্বশীল হৈ থাকিব।

(খ) সংবিধানৰ দ্বাৰা গৃহীত সকলো প্ৰকাৰৰ অধিকাৰ আৰু সুবিধা সাধাৰণ সভাই গ্ৰহণ কৰিব পাৰিব।

(গ) সাধাৰণ সভাই ইয়াৰ যিকোনো নিৰ্বাচিত সদস্য অথবা নিৰ্বাচিত সভা বা সমিতিকে বাতিল কৰিব পাৰিব।

(ঘ) সাধাৰণ সভাই কাৰ্য্যনিৰ্বাহক সমিতিয়ে গ্ৰহণ কৰা প্ৰস্তাৱৰ সংশোধনী কৰিব পাৰিব।

(ঙ) সাধাৰণ সভাই প্ৰয়োজন অনুসৰি ছাত্ৰ-একতা সভাৰ সংবিধান সংশোধন কৰিব পাৰিব।

(চ) সভাই সকলো বিষয়তে কাৰ্য্যনিৰ্বাহক সমিতি আৰু অন্যান্য উপসমিতিসমূহক নিৰ্দেশ দিব পাৰিব।

**অনুচ্ছেদ ঃ ৮ ঃ কাৰ্য্যনিৰ্বাহক সমিতিঃ**

ছাত্ৰ-একতা সভাৰ কাযনিৰ্বাহক সমিতিখন তলত দিয়া ধৰণে গঠিত হ'ব

(ক) সভাপতি

(খ) উপসভাপতি

(গ) বিভাগীয় উপদেষ্টা

(ঘ) সাধাৰণ সম্পাদক

(ঙ) সহ সাধাৰণ সম্পাদক

(চ) আলোচনী সম্পাদক

(ছ) তৰ্ক আৰু আলোচনী চক্ৰৰ সম্পাদক

(জ) সাধাৰণ ক্ৰীড়া সম্পাদক

(ঝ) গুৰু-ক্ৰীড়া সম্পাদক

(ঞ) লঘু-ক্ৰীড়া সম্পাদক

(ট) সাংস্কৃতিক সম্পাদক

(ঠ) সাহিত্য আৰু সুকুমাৰ কলা সম্পাদক

(ড) সমাজ সেৱা সম্পাদক

(ঢ) ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক

(ণ) ছাত্ৰী জিৰণি কোঠাৰ সম্পাদক

(ত) শৰীৰ চৰ্চা বিভাগৰ সম্পাদক

(থ) প্ৰতি শ্ৰেণীৰপৰা এগৰাকীকৈ শ্ৰেণী প্ৰতিনিধি

(দ) পদেন সদস্য হিচাবে বিগত ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক (মত বিহীন)

### অনুচ্ছেদ ঃ ৯ ঃ কাৰ্য্যনিৰ্বাহক সমিতিৰ কাৰ্য্য আৰু ক্ষমতাঃ

(ক) কাৰ্য্যনিৰ্বাহক সমিতিয়ে সংবিধানৰ অনুচ্ছেদ ২ ত উল্লেখ কৰা লক্ষ্যত উপনীত হ'বলৈ সকলো ধৰণৰ আঁচনি আৰু নীতি গ্ৰহণ কৰিব।

(খ) কাৰ্য্যনিৰ্বাহক সমিতিয়ে মহাবিদ্যালয়ৰ বিভিন্ন কাৰ্য্যসমূহ যেনে- মহাবিদ্যালয় সপ্তাহ, নৱাগত আদৰণী সভা, মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন উৎসৱসমূহ, একতা সভাৰ নীতি আৰু লক্ষ্যত উপনীত হ'ব পৰা যিকোনো কাৰ্য্য আদি অনুষ্ঠিত কৰিবলৈ ব্যৱস্থা কৰিব।

(গ) কাৰ্য্যনিৰ্বাহক সমিতিয়ে মহাবিদ্যালয়ৰ যিকোনো বছৰেকীয়া বাজেট গ্ৰহণ কৰিব।

(ঘ) কাৰ্য্যনিৰ্বাহক সমিতিয়ে মহাবিদ্যালয়ৰ যিকোনো ছাত্ৰ বা কাৰ্য্যনিৰ্বাহক সমিতিৰ সদস্যৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা ল'ব পাৰিব যদিহে তেওঁ সংবিধান অমান্য কৰে বা কাৰ্য্যনিৰ্বাহক সমিতিৰ সিদ্ধান্তক অৱমাননা কৰে বা তেওঁৰ কাৰ্যহি মহাবিদ্যালয় আৰু ছাত্ৰ-একতা সভাৰ স্বাৰ্থ, সন্মান আৰু নিয়ম শৃংখলাত ব্যাঘাত জন্মায়।

(ঙ) কাৰ্য্যনিৰ্বাহক সমিতি ইয়াৰ সকলো কাৰ্য্যৰ বাবে সাধাৰণ সভাৰ ওচৰত দায়ী হ'ব আৰু সাধাৰণ সভাৰ সকলো সিদ্ধান্ত বা নিৰ্দ্দেশ কাৰ্য্যকৰী কৰিব।

(চ) ছাত্ৰ একতা সভাৰ বছৰেকীয়া হিচাব নিকাচ পৰীক্ষা কৰাৰ বাবে এজন শিক্ষক আৰু দুজন ছাত্ৰক লৈ হিচাব পৰীক্ষা সমিতি গঠন কৰা হ'ব।

(ছ) প্ৰয়োজন সাপেক্ষে বিশেষ সমিতি গঠন কৰা আৰু ইয়াৰ প্ৰতিবেদন অনুমোদন কৰা

(জ) বিভিন্ন বিভাগীয় সম্পাদকক বছেৰেকীয়া প্ৰতিবেদনৰ ওপৰত আলোচনা কৰি অনুমোদন কৰা।

(ঝ) ইয়াৰ বৈঠকত সাধাৰণ সংখ্যাগৰিষ্ঠ মতেৰে সকলো বিষয়ৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰা।

(ঞ) কাৰ্য্যনিৰ্বাহক সমিতিৰ যিকোনো সদস্যৰ পদত্যাগ গ্ৰহণ কৰা।

(ট) গোট হিচাবে ই নিজে পদত্যাগ গ্ৰহণ কৰা।

(ঠ) প্ৰয়োজন অনুসাৰে যিকোনো শিতানৰ বাহি ধন অন্য শিতানত খৰছ কৰা।





### অনুচ্ছেদ ঃ ১০ ঃ সভাপতি

(ক) ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ছাত্ৰ-একতা সভা আৰু কাৰ্য্যনিৰ্বাহক সমিতিৰ পদেন (Ex-officio) সভাপতি হ'ব।

(খ) সভাপতিয়ে সাধাৰণ সভা আৰু কাৰ্য্যনিৰ্বাহক সমিতিৰ বৈঠকত সভাপতিত্ব কৰিব। অৱশ্যে বিশেষ পৰিস্থিতিত সভাপতিয়ে কোনো জ্যেষ্ঠ প্ৰৱক্তাক সভাপতিৰ দায়িত্ব প্ৰদান কৰিব পাৰে। কোনো পৰিস্থিতিত সিদ্ধান্ত গ্ৰহণ কৰোতে মতানৈক্য ভোটৰ সংখ্যা সমান হ'লে সভাপতিৰ মতেই নিৰ্ণায়ক মত হ'ব।

(গ) তেওঁ সভাৰ পুঁজি নিয়ন্ত্ৰণ কৰিব আৰু অনুমোদন জনাব।

(ঘ) সভাপতিয়ে একতা সভাৰ সকলো কাম যাতে সংবিধান সম্মত হয় তাৰ প্ৰতি চকু দিব।

(ঙ) যিকোনো বিবাদৰ ক্ষেত্ৰত মধ্যস্ততাকাৰী হিচাবে চূড়ান্ত ৰায় দিয়াৰ ক্ষমতা সভাপতিৰ থাকিব।

(চ) যিকোনো প্ৰস্তাৱ দাঙি ধৰাৰ ক্ষমতা অন্য সদস্যৰ দৰে সভাপতিৰো থাকিব।

(ছ) সভাপতিয়ে সমূহীয়া স্বাৰ্থৰ খাতিৰত অতি জৰুৰী বুলি বিবেচনা কৰিলে যিকোনো সময়ত কাৰ্য্যনিৰ্বাহক সভা বা সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দ্দেশ দিব।

(জ) সংবিধানিক কাৰণৰ ওপৰত ভিত্তি কৰি সভাপতিয়ে সাধাৰণ সভা নাইবা কাৰ্য্যনিৰ্বাহক সমিতিৰ বৈঠক স্থগিত ৰাখিব পাৰিব।

(ঝ) যদি কাৰ্য্যনিৰ্বাহক সমিতিৰ ২/৩ অংশ বা সাধাৰণ সভাৰ ১/৪ অংশ সদস্যই লিখিত ভাৱে কাৰ্য্যনিৰ্বাহক সভা বা সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ অনুৰোধ জনায় তেন্তে সেই বৈঠক আহ্বান কৰিবলৈ সভাপতিয়ে সাধাৰণ সম্পাদকক নিৰ্দ্দেশ দিব পাৰে।

(ঞ) নিৰ্বাচন আৰু সংবিধানিক বিবাদ সংক্ৰান্তীয় বিষয়ৰ বাদে একতা সভাৰ লগত জড়িত সকলো বিষয়ৰ ওপৰত সভাপতিৰ চূড়ান্ত কতৃত্ব থাকিব।

(ট) সভাপতিয়ে কাৰ্য্যনিৰ্বাহকৰ লগত আলোচনা কৰি প্ৰতি বিভাগত বিভাগীয় উপদেষ্টা শিক্ষকসকলৰ মাজৰপৰা বাছনি কৰিব।

### অনুচ্ছেদ ঃ ১১ ঃ উপ-সভাপতি

(ক) উপ-সভাপতি স্নাতক মহলাৰ প্ৰথম আৰু দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰ হ'ব লাগিব। স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰই উপসভাপিত হ'ব নোৱাৰিব।

(খ) উপ-সভাপতিয়ে সভাপতিক সকলো কামতে সহায় কৰিব। সভাপতিৰ অনুপস্থিতিত উপসভাপতিয়ে সভাত সভাপতিত্ব কৰিব।

(গ) উপসভাপতিৰ হাতত কোনো বিভাগীয় দায়িত্ব থাকিব নোৱাৰিব। অৱশ্যে প্ৰয়োজন সাপেক্ষে সভাপতিয়ে অস্থায়ীভাৱে তেওঁক কোনো বিভাগীয় দায়িত্ব দিব পাৰিব।

**অনুচ্ছেদ ঃ ১২ ঃ উপদেষ্টা**

(ক) ছাত্ৰ একতা সভাৰ প্ৰত্যেক বিভাগৰ তত্বাৱধায়ক হিচাপে নিৰ্দ্দেশ আৰু পৰামৰ্শ দিবলৈ শিক্ষকসকলৰ পৰা এজনকৈ উপদেষ্টা থাকিব।

(খ) উপদেষ্টাই বিভাগীয় সম্পাদকক খচৰা তৈয়াৰ কৰাত সহায় কৰিব। উপদেষ্টাৰ অনুমোদন ক্ৰমেহে সভাপতিয়ে বিভাগীয় সম্পাদকক আৰ্থিক মঞ্জুৰী অনুমোদন দিব।

(গ) উপদেষ্টাই একতা সভা আৰু কাৰ্য্যনিৰ্বাহক সমিতিৰ সভাত অংশ গ্ৰহণ কৰিব। কিন্তু ভোটাধিকাৰ নাথাকিব।

(ঘ) উপদেষ্টাই বিভাগীয় সকলো সম্পত্তি ৰ দায়িত্ব গ্ৰহণ কৰিব। সেই উদ্দেশ্যে সম্পত্তি মজুত বহী (Stock book) নিয়ন্ত্ৰণ কৰিব।

(ঙ) বিভাগীয় বৈঠক অনুষ্ঠিত হ'লে উপদেষ্টাই সভাপতিত্ব কৰিব।

**অনুচ্ছেদ ঃ ১৩ ঃ সাধাৰণ সম্পাদক ঃ**

(ক) সধাৰণ সম্পাদক কাৰ্য্যনিৰ্বাহক সমিতিৰ ছাত্ৰ সদস্যসকলৰ ভিতৰত প্ৰধান। কাৰ্য্যনিৰ্বাহক সমিতি আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ মাজত তেৱেঁই হ'ব যোগসূত্ৰ।

(খ) তেওঁ একতা সভাৰ বিভিন্ন বিভাগসমূহ ৰ মাজত একতা ৰক্ষা কৰিব। সকলো বিভাগীয় সম্পাদকৰ কাৰ্য্যৰ ওপৰত তেওঁ চকু ৰাখিব।

(গ) সাধাৰণ সম্পাদকে একতা সভাৰ সভাপতিৰ অনুমোদন ক্ৰমে কাৰ্য্যনিৰ্বাহক সমিতি বা সাধাৰণ সভা আহ্বান কৰিবলৈ কম পক্ষেও সাতদিনৰ আগতে জাননী দিব লাগিব। জৰুৰী অৱস্থাৰ পৰিপেক্ষিতত তিনিদিনতকৈ কম সময়ৰ জাননীতে সভা আহ্বান কৰিব পাৰিব। বছৰত নিম্নতম চাৰিখন কাৰ্য্যনিৰ্বাহক সভা আৰু কমেও এখন সাধাৰণ সভা পাতিব লাগিব।

(ঘ) বিশেষ জৰুৰী বুলি বিবেচনা কৰিলে সাধাৰণ সম্পাদকে সভাপতি আৰু উপ-সভাপতিৰ লগত





আলোচনা কৰি যিকোনো সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিব। অৱশ্যে উক্ত সিদ্ধান্ত কাৰ্য্যনিৰ্বাহক সমিতিত অনুমোদনৰ বাবে দাঙি ধৰিব লাগিব।

(ঙ) সাধাৰণ সম্পাদকে কাৰ্য্যনিৰ্বাহক সমিতি আৰু সাধাৰণ সভাৰ কাৰ্য্যবিৱৰণী কৰিব।

(চ) কাৰ্য্যকৰী সমিতিৰ ১/৩ অংশ ছাত্ৰ সদস্যই যদি লিখিতভাৱে কাৰ্য্যনিৰ্বাহক সমিতি বা সাধাৰণ সভা অনুষ্ঠিত কৰিবলৈ দাবী জনায়, তেতিয়াহ'লে সাধাৰণ সম্পাদকে তিনিদিনৰ ভিতৰত সভা আহ্বান কৰিব লাগিব। এনে ক্ষেত্ৰত সাধাৰণ সম্পাদক বিফল হ'লে সভাপতিয়ে সহ-সম্পাদক অথবা এওঁৰ অনুপস্থিতিত যিকোনো সম্পাদকক উক্ত সভা অনুষ্ঠিত কৰিবলৈ নিৰ্দ্দেশ দিব। এনে সভাত সাধাৰণ সংখ্যাগৰিষ্ঠ মতামতেই চূড়ান্ত সিদ্ধান্ত হ'ব।

(ছ) সাধাৰণ সম্পাদকে সাম্ভাব্য ব্যয়ৰ কাৰণে ৩০০.০০ টকা হাতত ৰাখিব পাৰিব। এই টকাৰ হিচাব পাছত তেওঁ দাখিল কৰিব লাগিব।

(জ) বছৰৰ শেষত সাধাৰণ সম্পাদকে বছৰেকীয়া প্ৰতিবেদন সাধাৰণ সভাত দাখিল কৰিব লাগিব।

(ঝ) সাধাৰণ সম্পাদকে কাৰ্যনিৰ্বাহক সমিতিয়ে দায়িত্ব দিয়া যিকোনো কাৰ্য্য পালন কৰিব।

**অনুচ্ছেদ ঃ ১৪ ঃ সাধাৰণ সম্পাদক ঃ**

সাধাৰণ সম্পাদকৰ সকলো কামতে সহ-সম্পাদকে সহায় কৰিব। সাধাৰণ সম্পাদকে সাধাৰণ সম্পাদকৰ সকলো দায়িত্ব পালন কৰিব। সেই সময়ছোৱাত সাধাৰণ সম্পাদকৰ ক্ষমতা তেওঁৰ হাতত থাকিব।

**অনুচ্ছেদ ঃ ১৫ ঃ বিভাগীয় সম্পাদক ঃ**

(ক) প্ৰত্যেক বিভাগীয় সম্পাদকে নিজ নিজ বিভাগৰ লগত প্ৰত্যক্ষভাৱে জড়িত হ'ব আৰু বিভাগীয় কাম-কাজৰ বাবে দায়ী হ'ব।

(খ) বিভাগীয় সম্পাদকে উপদেষ্টাৰ পৰামৰ্শ আৰু সহায়ত নিজ কাৰ্য্য সম্পাদন কৰিব।

(গ) তেওঁ বিভাগীয় 'খচৰা' উপদেষ্টাৰ লগত আলোচনা কৰি প্ৰস্তুত কৰিব আৰু "বাৰ্ষিক বাজেট" কাৰ্য্যনিৰ্বাহকে গ্ৰহণ কৰাৰ পাছত উপদেষ্টাৰ সহযোগত বিভাগীয় বাজেট প্ৰস্তুত কৰিব।

(ঘ) বিভাগীয় সম্পাদকে সাধাৰণ সম্পাদকৰ লগত আলোচনা মৰ্মে কাম কৰিব, যিহেতু সাধাৰণ সম্পাদকগৰাকী কাৰ্য্যনিৰ্বাহক আৰু একতা সভাৰ মুখপাত্ৰ।

(ঙ) বিভাগীয় সম্পাদকে এক দলবদ্ধ মনোভাব লৈ কাম কৰিব যাতে একতা সভাৰ মূল লক্ষ্যত

উপনীত হ'ব পাৰে।

(জ) মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰিবৰ কাৰণে "মহাবিদালয় দল" কোনো ঠাইলৈ পঠাবলগীয়া হ'লে বিভাগীয় সম্পাদকে উপদেষ্টাৰ সহযোগত সদস্যৰ সম্পূৰ্ণ তালিকা আৰু "আগন্তুক খৰচৰ খচৰা" প্ৰস্তুত কৰিব।

(ঝ) তেওঁ উপদেষ্টাৰ অনুমোদন ক্ৰমে বিভাগীয় সভা অনুষ্ঠিত কৰিব।

**অনুচ্ছেদ ঃ ১৬ ঃ শ্ৰেণী প্ৰতিনিধি নিৰ্বাচন ঃ**

শ্ৰেণী প্ৰতিনিধি গৰাকী প্ৰতি শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে সৰ্ব সম্মতি ক্ৰমে নিৰ্বাচিত কৰিব। যদি এই ক্ষেত্ৰত কিবা দ্বিমত সৃষ্টি হয় তেনে ক্ষেত্ৰত শ্ৰেণী শিক্ষকজনে গোপন ভোটৰ মাধ্যমেৰে এজন শ্ৰেণী প্ৰতিনিধি নিৰ্বাচন কৰিব।

**অনুচ্ছেদ ঃ ১৭ ঃ মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি ঃ**

(ক) মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতিখন আলোচনী বিভাগৰ উপদেষ্টা আৰু সম্পাদকৰ উপৰিও একতা সভাৰ সভাপতিয়ে উপদেষ্টাৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ দুজন শিক্ষক আৰু তিনিগৰাকী ছাত্ৰক মনোনীত কৰি সম্পাদনা সমিতিখন গঠন কৰিব।

(খ) বিভাগীয় উপদেষ্টা সম্পাদনা সমিতিৰ সভাপতি হ'ব।

(গ) বিভাগীয় সম্পাদকে প্ৰাচীৰ পত্ৰিকা আৰু মহাবিদ্যালয়ৰ আলোচনীখনৰ বাবে প্ৰবন্ধ-পাতি সংগ্ৰহ কৰিব, উপদেষ্টাৰ পৰামৰ্শ ল'ব আৰু প্ৰবন্ধ-পাতিৰ চূড়ান্ত বাছনিৰ কাৰণে সম্পাদনা সমিতিৰ সভা আহ্বান কৰি সমিতিৰ কাৰ্যকালৰ এপ্ৰিল মাহৰ ভিতৰত আলোচনী প্ৰকাশৰ দিহা কৰিব।

(ঘ) বিভাগীয় সম্পাদকে প্ৰতি তিনিমাহৰ অন্তৰত প্ৰাচীৰ পত্ৰিকা "মন্দাকিনী" প্ৰকাশ কৰিব।

**অনুচ্ছেদ ঃ ১৮ ঃ নিৰ্বাচন ঃ**

(ক) মহাবিদ্যালয় অধ্যক্ষই শিক্ষকসকলৰ পৰা এজনক নিৰ্বাচন প্ৰাধিকাৰী নিয়োগ কৰিব। তেঁৱেই মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰিব নিৰ্বচিন পৰিচালনা কৰিব আৰু নিৰ্বাচনৰ সম্পূৰ্ণ ফলাফলসহ নিৰ্বাচনী প্ৰতিবেদন অধ্যক্ষক জমা দিব।





(খ) মহাবিদালয়ৰ কাৰ্যকৰী সমিতিৰ নিৰ্বাচন গোপন ভোটৰ মাধ্যমত হ'ব আৰু ছাত্ৰ একতা সভাৰ সকলো সদস্যই নিজ নিজ শ্ৰেণীৰপৰা মতদান কৰিব পাৰিব।

(গ) কাৰ্য্যনিৰ্বাহক সমিতিৰ এই নিৰ্বাচন সাধাৰণ পৰিস্থিতিত পূজা বন্ধ বা মহাবিদ্যালয় বাৰ্ষিক সপ্তাহ আগেয়ে অনুষ্ঠিত হ'ব।

(ঘ) মহাবিদ্যালয়ৰ অধ্যক্ষই কাৰ্য্যনিৰ্বাহক সমিতিৰ লগত আলোচনা কৰি কম পক্ষেও নিৰ্বাচন হোৱাৰ ১৫ (পোন্ধৰ) দিনৰ আগেয়ে নিৰ্বাচনী জাননী দিব। উক্ত জাননীত মনোনয়ন পত্ৰ গ্ৰহণ কৰাৰ দিন, প্ৰাৰ্থীৰ প্ৰত্যাহাৰ কৰাৰ দিন, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পৰা প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰাৰ দিন আদি নিৰ্বাচন সংক্ৰান্তীয় সকলো কথা স্পষ্টভাৱে উল্লেখ কৰিব।

(ঙ) অধ্যক্ষই নিৰ্বাচন প্ৰাধিকাৰীক সভাপতি, মহাবিদ্যালয়ৰ আন দুগৰাকী শিক্ষকলৈ এখন নিৰীক্ষা বৰ্ড গঠন কৰিব। বৰ্ডে প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ পৰীক্ষা আৰু নিৰ্বাচন ব্যৱস্থাপনা আদিত সহায় ক ৰিব।

(চ) নিৰ্বাচন সম্পৰ্কে আপীল কৰিব লগা হ'লে নিৰ্বাচনৰ ফল ঘোষণা কৰাৰ ২৪ (চৌবিশ) ঘন্টাৰ ভিতৰত নিৰ্বাচনী ন্যায়াধীকৰণৰ সভাপতিৰ হাতত আবেদন জমা দিব লাগিব। নিৰ্বাচনী ন্যায়াধীকৰণে এক সপ্তাহৰ ভিতৰত ইয়াৰ সিদ্ধান্ত ঘোষণা কৰিব। ন্যায়াধীকৰণৰ এই সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। সেই উদ্দেশ্যে অধ্যক্ষই নিৰ্বাচন প্ৰাধিকাৰীক সভাপতি আৰু দুজন শিক্ষকক সদস্য হিচাবে লৈ এখন নিৰ্বাচনী ন্যায়াধীকৰণ গঠন কৰিব।

(ছ) নিৰ্বচিন সংক্ৰান্ত যাৱতীয় খৰচ একতা সভাৰ পুঁজিৰ পৰা ২% ভাগ নিৰ্বচিনত খৰচ কৰিব।

**অনুচ্ছেদ ঃ ১৯ ঃ একতা সভাৰ নিৰ্বাচনলৈ ছাত্ৰৰ যোগ্যতা ঃ**

(ক) একতা সভাৰ সকলো বিভাগৰ প্ৰাৰ্থী উচ্চতৰ মাধ্যমিক শাখাৰ প্ৰথম বাৰ্ষিক অথবা স্নাতক প্ৰথম আৰু দ্বিতীয় মাধ্যমিক শাখা বাৰ্ষিকৰ হ'ব লাগিব।

(খ) সকলো নিয়মীয়া ছাত্ৰই ভোটাধিকাৰ থাকিব।

**অনুচ্ছেদ ঃ ২০ ঃ নিৰ্বাচনত প্ৰাৰ্থী অযোগ্যতা ঃ**

(ক) তেওঁক অধ্যক্ষই ডিফলটাৰ বুলি ঘোষণা কৰে।

(খ) তেওঁ মনোনয়ন মাচুল নিদিয়ে।

(গ) তেওঁ গ্ৰহণযোগ্য কাৰণ নোহোৱাকৈ মহাবিদ্যালয়ৰ পৰীক্ষাসমূহত নিয়মীয়াকৈ নবহিলে।

**অনুচ্ছেদ ঃ ২৪ ঃ হিচাব নিৰীক্ষণ পৰিষদ ঃ**

কাৰ্য্যনিৰ্বাহক সমিতিয়ে মহাবিদ্যালয় শিক্ষক সকলৰপৰা এজন আৰু ছাত্ৰৰ দুজন সদস্য লৈ (কাৰ্য্যনিৰ্বাহক সমিতিৰ বাহিৰৰ) এখন হিচাব নিৰীক্ষা পৰিষদ গঠন কৰিব। পৰিষদে সংবিধান নিয়মনুসাৰে কাম কৰিব।

**অনুচ্ছেদ ঃ ২৫ ঃ থূল (Quorum)**

এক তৃতীয়াংশ ছাত্ৰ সদস্যৰে কাৰ্যনিৰ্বাহক সমিতিৰ থূল গঠন হ'ব। থূলৰ অভাৱত এবাৰ স্থগিত হোৱা সভা পুনৰ আহ্বান কৰিলে থূল গঠন নহ'লেও হ'ব। কিন্তু স্থগিত সভাত কোনো নতুন বিষয় আলোচনা কাৰণে উত্থাপিত হ'ব নোৱাৰিব।

**অনুচ্ছেদ ঃ ২৬ ঃ সংশোধন ঃ**

সংবিধানৰ কোনো দফা বা কোনো অংশৰ সংশোধন কৰিব হ'লে তলত দিয়া উপায়েৰে সংশোধন কৰিব পাৰিব।

(ক) সংশোধনৰ বাবে কাৰ্য্যনিৰ্বাহক সমিতিত সাধাৰণ সংখ্যাগৰিষ্ঠতাৰে প্ৰস্তাৱ লৈ সাধাৰণ সভা আহ্বান কৰি ছাত্ৰৰ সংখ্যা শতকৰা ৫১ (একাৱন্ন) ভাগৰ উপস্থিতিত উক্ত প্ৰস্তাৱ উত্থাপন কৰিব লাগিব আৰু সেই প্ৰস্তাৱ সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ দ্বাৰা সমৰ্থন পাব লাগিব।

(খ) সংশোধনৰ বাবে ছাত্ৰ একতা সভাৰ এক তৃতীয়াংশ সদস্যৰপৰা লিখিত প্ৰস্তাৱ আহিব লাগিব।

**অনুচ্ছেদ ঃ ২৭ ঃ কাৰ্য্যনিৰ্বাহক সমিতি ভঙ্গকৰণ ঃ**

কাৰ্য্যনিৰ্বাহক সমিতিত যদি অচলাৱস্থাৰ উদ্ভৱ হয় বা গভীৰ বিশৃংখলতাৰ সৃষ্টি হয়, যাৰ দ্বাৰা কাৰ্যনিৰ্বাহক সমিতিয়ে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংবিধান মতে কাৰ্যপৰিচলনা কৰাত অসম্ভৱ হৈ উঠি বা কাৰ্য্যনিহৰ্বাহক সমিতিয়ে সমূহ ছাত্ৰৰ স্বাৰ্থৰ বিপৰীতে গৈছে বুলি যদি মহাবিদ্যালয়ৰ অধ্যক্ষ পতিয়ন যায় তেনে ক্ষেত্ৰত অধ্যক্ষই কাৰ্যনিৰ্বাহক সমিতি ভঙ্গ কৰি ৩০ (ত্ৰিশ) দিনৰ ভিতৰত নতুন কাৰ্য্যনিৰ্বাহক সমিতি নিৰ্বাচন ঘোষণা কৰিব পাৰিব।

**অনুচ্ছেদ ঃ ২৮ ঃ**

সাধাৰণ সভাত গৃহীত হোৱা সংবিধানখন অধ্যক্ষৰ অনুমোদন ক্ৰমে বলবৎ হ'ব।